# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-11-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে ফ্ৰান্স আৰু এছিয়া প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ সহযোগী দেশসমূহক প্ৰযুক্তিগত সহযোগিতা সুদৃঢ় কৰিবলৈ আৰু সাংস্কৃতিক তথা শৈক্ষিক বিনিময়ৰ প্ৰসাৰ ঘটাবলৈ আহ্বান জনাইছে।

২। কেন্দ্ৰীয় চৰকাৰে ডাই-এমনীয়াম ফছ্‌ফেট-DAP সাৰৰ উপলব্ধতা বৰ্তাই ৰাখিবলৈ আৱশ্যকীয় পদক্ষেপ লৈছে।

৩। সশস্ত্ৰ বাহিনী আৰু প্ৰতিৰক্ষা উদ্যোগৰ মাজত সহযোগিতা বৃদ্ধিৰ বাবে আজিৰ পৰা নতুন দিল্লীত প্ৰতিৰক্ষা সহযোগিতা দিৱসৰ আয়োজন কৰা হৈছে।

৪। ঝাৰখণ্ড মুক্তি মৰ্চাৰ নেতা হেমন্ত ছোৰেনে আজি ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হিচাপে শপত ল'ব।

*আৰু*

৫। ভাৰতে কালি পুৰুষৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ এখন খেলত থাইলেণ্ডক ১১-০ গলত পৰাস্ত কৰে।

ooooo

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে ফ্ৰান্স আৰু এছিয়া প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ সহযোগী দেশসমূহক দ্বিপাক্ষিক চুক্তি আৰু বহুপাক্ষিক মঞ্চৰ জৰিয়তে ব্যৱসায় বৃদ্ধি কৰিবলৈ, জলবায়ু পৰিৱৰ্তনৰ দৰে গোলকীয় সমস্যাসমূহ সমাধানৰ বাবে প্ৰযুক্তিগত সহযোগিতা সুদৃঢ় কৰিবলৈ আৰু সাংস্কৃতিক তথা শৈক্ষিক বিনিময়ৰ প্ৰসাৰ ঘটাবলৈ আহ্বান জনাইছে। নতুন দিল্লীত কালি এছিয়া প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ বাবে থকা ফ্ৰান্সৰ বিদেশ বাণিজ্য আয়ুক্তসকলৰ বাৰ্ষিক সন্মিলন সম্বোধন কৰি বাণিজ্য মন্ত্ৰীগৰাকীয়ে এইদৰে আহ্বান জনায়। তেওঁ কয় যে, ২০২৪ বিত্তীয় বৰ্ষত ভাৰত আৰু ফ্ৰান্সৰ মাজত দ্বিপাক্ষিক বাণিজ্য এহেজাৰ ৫০০ কোটি ডলাৰলৈ বৃদ্ধি পাইছে। তেওঁ লগতে কয়, যে দুয়োখন দেশে কৃষি আৰু খাদ্য প্ৰ-সংস্কৰণ, নবীকৰণযোগ্য শক্তি, মহাকাশ আৰু প্ৰতিৰক্ষা, যান-বাহন আৰু বৈদ্যুতিন বাহন আৰু ডিজিটেল প্ৰযুক্তিকে ধৰি বিভিন্ন ক্ষেত্ৰত সহযোগিতা সম্প্ৰসাৰণৰ সম্ভাৱনাৰ অন্বেষণ কৰি আছে। শ্ৰীগোৱেলে কয়, যে ভাৰতে ২০৪৭ চনৰ ভিতৰত দেশক বিকশিত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ সংকল্পৰে নিজকে বিশ্ব নেতা হিচাপে প্ৰতিষ্ঠা কৰিবলৈ সাজু হৈছে। মেক ইন ইণ্ডিয়া, ডিজিটেল ইণ্ডিয়া আৰু ষ্টাৰ্ট আপ ইণ্ডিয়াৰ লেখীয়া উদ্যমসমূহৰ ফলত বিদেশী বিনিয়োগকাৰী আকৰ্ষিত হৈছে আৰু দেশৰ অৰ্থনৈতিক বিকাশ ত্বৰান্বিত হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। শ্ৰীগোৱেল অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বাৰ্তাও পাঠ

কৰে। এই বাৰ্তাত শ্ৰীমোদীয়ে ব্যৱসায়, বিনিয়োগ আৰু প্ৰযুক্তিক ভাৰত আৰু ফ্ৰান্সৰ মাজৰ সম্পৰ্কৰ মূল স্তম্ভ বুলি অভিহিত কৰে।

পাছত বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী গোৱেলে ফ্ৰান্সৰ বিদেশ বাণিজ্য আৰু নাগৰিকসকলৰ প্ৰতিনিধি মন্ত্ৰী ছোফী প্ৰাইম'ছৰ সৈতে আলোচনাত মিলিত হয়। দুয়োগৰাকী নেতাই ভাৰত ইউৰোপীয় সংঘ মুক্ত বাণিজ্য চুক্তি, বিনিয়োগ সুৰক্ষা চুক্তি আৰু ভৌগোলিক সূচাংক অৰ্থাৎ জি আই টেগ চুক্তি সম্পৰ্কীয় আলোচনাৰ অগ্ৰগতিৰ সমীক্ষা কৰে।

ooooo

কেন্দ্ৰীয় চৰকাৰে ডাই-এমনীয়াম ফছফেট-DAP সাৰৰ উপলব্ধতা বৰ্তাই ৰাখিবলৈ আৱশ্যকীয় পদক্ষেপ লৈছে। ৰাসায়নিক আৰু সাৰ মন্ত্ৰালয়ে এটা বিবৃতিযোগে কৈছে যে, কেন্দ্ৰীয় চৰকাৰে ৰাজ্য ৰে'লৰে আৰু সাৰ প্ৰস্তুতকাৰী কোম্পানীসমূহৰ সৈতে সমন্বয় ৰক্ষা কৰি আছে। গোলকীয় প্ৰত্যাহ্বান স্বত্বেও ২০২৪-২৫ ৰবি শস্য বৰ্ষত অক্টোবৰ আৰু নৱেম্বৰত ১৭ টনৰো অধিক আমদানিকৃত DAP সাৰ ৰাজ্যসমূহৰ মাজত বিতৰণ কৰা হৈছে। ইয়াৰ উপৰি দেশত উৎপাদন কৰা ৬ লাখ ৫০ টন সাৰ ৰাজ্যসমূহলৈ যোগান ধৰা হৈছে। এইবাৰৰ ৰবি শস্য বৰ্ষৰ বাবে বৰ্তমানলৈকে ৩৪ লাখ ৮১ হাজাৰ মেট্ৰিক টন DAP আৰু ৫৫ লাখ মেট্ৰিক টনৰো অধিক নাইট্ৰজেন, ফছফৰাছ, পটেছিয়াম আৰু ছালফাৰ সাৰ যোগান ধৰা হৈছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে গুৰুত্বপূৰ্ণ যোগানকাৰীসকলৰ পৰা আমদানি হ্ৰাস পোৱা আৰু লোহিত সাগৰৰ সংকটৰ দৰে ভূ-ৰাজনৈতিক কাৰণত DAPৰ যোগান ব্যাহত হৈছে। উল্লেখযোগ্য যে, দেশ, ৰাজ্যসমূহৰ DAPৰ চাহিদা পূৰণৰ বাবে আমদানিৰ ওপৰত নিৰ্ভৰশীল।

ooooo

ভাৰতীয় উপকূলৰক্ষী বাহিনীৰ ৰাষ্ট্ৰীয় সামুদ্ৰিক অনুসন্ধান আৰু উদ্ধাৰ অনুশীলন তথা কৰ্মশালা SAREX 24-ৰ একাদশ সংস্কৰণ আজি কেৰালাৰ কোচিত অনুষ্ঠিত হ'ব। প্ৰতিৰক্ষা সচিব ৰাজেশ কুমাৰ সিঙে এই দুদিনীয়া কৰ্মশালাখন উদ্বোধন কৰিব। কৰ্মশালাখনৰ বিষয়বস্তু হৈছে আঞ্চলিক সহযোগিতাৰ জৰিয়তে অনুসন্ধান আৰু উদ্ধাৰৰ সামৰ্থ্য বৃদ্ধি কৰা। কৰ্মশালাখন ভাৰতৰ অধীনত থকা অনুসন্ধান আৰু উদ্ধাৰ অঞ্চলত তথা ইয়াৰ বাহিৰত স্থান, দেশ বা পৰিস্থিতি নিৰ্বিশেষে বৃহৎ পৰিসৰৰ আকস্মিক পৰিস্থিতিৰ সময়ত সহায় আগবঢ়োৱাৰ বাবে থকা ভাৰতীয় উপকূলৰক্ষী বাহিনীৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ সৈতে সংগতি ৰাখি আয়োজন কৰা হৈছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে কয়, যে সুস্থিৰ তথা ফলপ্ৰসূ সামুদ্ৰিক অনুসন্ধান আৰু উদ্ধাৰৰ পৰিৱেশ বিকশাই তোলাৰ বাবে থকা চৰকাৰৰ প্ৰচেষ্টাৰ আঁত ধৰি বিগত বৰ্ষসমূহত ভাৰতীয় উপকূলৰক্ষী বাহিনী এটা প্ৰধান সামুদ্ৰিক সংস্থা হিচাপে আগবাঢ়ি আহিছে।

ooooo

দেশত যোৱা ৩ মাহত মাটিমাহ আৰু ৰহৰ দাইলৰ খুচুৰা মূল্য কমিছে বা স্থিৰ হৈ আছে। গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ দপ্তৰৰ ৰাজ্যমন্ত্ৰী বি এল বাৰ্মাই কালি লোকসভাত এটা লিখিত উত্তৰত এই কথা প্ৰকাশ কৰে। খাৰিফ শস্যৰ বাবে পৰিস্থিতি অনুকূল বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে মুগ আৰু ৰহৰৰ দৰে কম সময়তে হোৱা শস্য চপোৱা পৰ্ব সমাপ্ত হৈছে। মাটিমাহৰ শস্য চপোৱাৰ কাম আৰম্ভ হোৱা বুলিও মন্ত্ৰীগৰাকীয়ে

উল্লেখ কৰে। শ্ৰীবাৰ্মাই কয়, যে অনুকূল বতৰে যোগান শৃংখলা বৰ্তাই ৰখাত সহায় কৰিছে আৰু ইয়াৰ ফলত দাইলৰ মূল্য কম হোৱাৰ সম্ভাৱনা দেখা গৈছে।

ooooo

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

ooooo

সশস্ত্ৰ বাহিনী আৰু প্ৰতিৰক্ষা উদ্যোগৰ মাজত সহযোগিতা বৃদ্ধিৰ বাবে আজিৰে পৰা নতুন দিল্লীত প্ৰতিৰক্ষা সহযোগিতা দিৱসৰ আয়োজন কৰা হৈছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে এটা বিবৃতিত কয়, যে এই দুদিনীয়া অনুষ্ঠানটো চৰকাৰ আৰু ব্যৱসায়িক সহযোগীসকলৰ সংযোগ ত্বৰান্বিত কৰাৰ লক্ষ্যৰে আয়োজন কৰা হৈছে। মন্ত্ৰালয়ে জনোৱা অনুসৰি, প্ৰযুক্তি আৰু ক্ৰয়ৰ সৈতে জড়িত দুশৰো অধিক কোম্পানী আৰু মন্ত্ৰালয় তথা সশস্ত্ৰ বাহিনীৰ এশগৰাকী বিষয়াই এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

ooooo

ঝাৰখণ্ড মুক্তি মৰ্চাৰ নেতা হেমন্ত ছোৰেনে আজি ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হিচাপে শপত ল'ব। ৰাজ্যপাল সন্তোষ কুমাৰ গংৱাৰে বিয়লি ৪ বজাত ৰাঁচীৰ মোৰহাবাদি ময়দানত আয়োজিত এটা অনুষ্ঠানত শ্ৰীছোৰেনক পদ আৰু গোপনীয়তা ৰক্ষাৰ শপতবাক্য পাঠ কৰোৱাব। ৰাঁচীত কালি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীছোৰেনে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক শপতগ্ৰহণ অনুষ্ঠানলৈ আমন্ত্ৰণ জনোৱা হৈছে। আমাৰ সংবাদদাতাই জনোৱা মতে কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, লোকসভাত বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধী, পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী, দিল্লীৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাল, উত্তৰ প্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অখিলেখ যাদৱ আৰু আৰ জে ডিৰ জ্যেষ্ঠ নেতা তেজস্বী যাদৱে শপতগ্ৰহণ অনুষ্ঠানত ভাগ লোৱাৰ কথা আছে। মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমা, পাঞ্জাবৰ মুখ্যমন্ত্ৰী ভগৱন্ত মান আৰু হিমাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী সুখবিন্দৰ সিং শুকুয়ো শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত থাকিব।

ooooo

চলিত বৰ্ষৰ নেটৱৰ্ক প্ৰস্তুতি সূচ্যাংক প্ৰতিবেদন অনুসৰি ভাৰত পূৰ্বতকৈ **১১**টা স্থান আগবাঢ়ি ৪৯ সংখ্যক স্থানত আছে। ২০২৩ বৰ্ষৰ এই প্ৰতিবেদনত ভাৰতে ৬০ সংখ্যক স্থান লাভ কৰিছিল। বিগত **২১** নৱেম্বৰত প্ৰকাশ পোৱা প্ৰতিবেদনখনে প্ৰযুক্তি, জনসাধাৰণ, শাসন আৰু প্ৰভাৱৰ ক্ষেত্ৰত কৰা প্ৰদৰ্শনৰ ভিত্তিত **১৩৩**খন দেশক সামৰি লৈছিল। মুঠ ৫৪টা খণ্ড সামৰি লোৱা এই প্ৰতিবেদনখন আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৱাশ্বিংটন ডি চিৰ পৰ্টুলান্স ইনষ্টিটিউট নামৰ এটা গৱেষণা আৰু শিক্ষা প্ৰতিষ্ঠানে

প্ৰকাশ কৰিছে। যোগাযোগ মন্ত্ৰালয়ে এটা বিবৃতিত কয়, যে ভাৰতে কেৱল নিজৰ ৰেংকিং উন্নত কৰাই নহয়, ২০২৩ চনৰ ৪৯ দশমিক ৯-৩ৰ পৰা ২০২৪ চনত ৫৩ দশমিক ৬-৩ লৈও পইণ্ট উন্নত কৰিছে। প্ৰতিবেদনত উল্লেখ কৰা হৈছে যে ভাৰতে কৃত্ৰিম বুদ্ধিমত্তাৰ সৈতে জড়িত বৈজ্ঞানিক প্ৰকাশন তথা তথ্য আৰু যোগাযোগ প্ৰযুক্তি সেৱাৰ সৈতে জড়িত ৰপ্তানিখণ্ডত প্ৰথম স্থান লাভ কৰিছে। ভাৰতে ভিয়েটনামৰ পিছতে নিম্ন মধ্য আয়ৰ দেশৰ গোটত ২য় স্থান লাভ কৰিছে।

ooooo

ভাৰতীয় জুনিয়ৰ পুৰুষ হকী দলে কালি ওমানৰ মাস্কাটত অনুষ্ঠিত চলিত বৰ্ষৰ পুৰুষৰ জুনিয়ৰ এছিয়া কাপৰ এখন খেলত থাইলেণ্ডক ১১-০ গ'লত পৰাস্ত কৰে। খেলখনত অৰাইজীত সিং হুণ্ডাল, সৌৰভ আনন্দ কুশৱাহা, গুৰজোৎ সিং, অৰ্শদ্বীপ সিং, সাৰদা নন্দ তিৱাৰী, দিলৰাজ সিং, ৰোহিত আৰু মুকেশ টপ্পোৱে ভাৰতৰ হৈ গ'ল দিয়ে।

প্ৰতিযোগিতাৰ আন এখন খেলত ভাৰত আজি জাপানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

ভাৰতৰ পি ভি সিন্ধু আৰু লক্ষ্য সেন লক্ষ্ণৌত অনুষ্ঠিত ছৈয়দ মোদী আন্তঃৰাষ্ট্ৰীয় ছুপাৰ থ্ৰী হাণ্ড্ৰেড বেডমিণ্টন প্ৰতিযোগিতাৰ ছিংগলছৰ পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰিছে। পি ভি সিন্ধুৱে মহিলাৰ ছিংগলছৰ প্ৰথম ৰাউণ্ডত সতীৰ্থ খেলুৱৈ অনমোল খৰবক ২১-১৭, ২১-১৫ গেমত পৰাস্ত কৰে। ইপিনে, লক্ষ্য সেনে পুৰুষৰ ছিংগলছৰ এখন খেলত মালয়েছিয়াৰ ছোলেহ এডিলক ২১-১২, ২১-১২ গেমত পৰাভূত কৰে। সিন্ধু আৰু লক্ষ্য সেনৰ উপৰি মালৱিকা বনছোড়, উন্নতি হুদা আৰু তছনিম মীৰেও পৰৱৰ্তী ৰাউণ্ডত স্থান নিশ্চিত কৰিছে। একেদৰে অশ্বিনী পোনাপ্পা আৰু তনিশা ক্ৰাষ্টো, তৃষা জ'লী আৰু গায়ত্ৰী গোপীচান্দৰ যুটি দুটায়ো মহিলাৰ ডাবলছৰ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে।

ooooo

**সমাপ্ত**